**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-JAN-2026
**Time :** 2125 Hrs

***Assamese Night Bulletin***

**-----------------------**

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি লোক নিৰ্মাণ বিভাগ আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ সৈতে এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যখনৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হয়। ৰাজ্যত বিভিন্ন আঁচনিৰ অধীনত প্ৰায় ৩ হাজাৰ ২০০ কোটি ব্যয়সাপেক্ষ ৪৮৭খন বিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰি থকা হৈছে। আজিৰ বৈঠকত শিক্ষা মন্ত্ৰীগৰাকীয়ে এই নিৰ্মাণ কাৰ্যসমূহৰ অগ্ৰগতিৰ বুজ লয়। ডাঃ পেগুৱে প্ৰকাশ কৰা অনুসৰি ইতিমধ্যে ৫৮খন বিদ্যালয়ৰ ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। এই ভৱনসমূহ অহা ২ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰাৰ কথা। ডাঃ পেগুৱে কয় যে মুখ্যমন্ত্ৰী গৰাকীৰ দূৰদৰ্শী নেতৃত্বত ৰাজ্যজুৰি বিদ্যালয়সমূহৰ আন্তঃগাঁথনি শক্তিশালী হৈ উঠিছে।

০০০০০

সৰস্বতী পূজাৰ আনন্দ-উৎসাহৰ মাজতে গুৱাহাটী মহানগৰীৰ কাহিলিপাৰাত আজি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী যুৱতীৰ মৃত্যু হয়। ১০৮ মৃত্যুঞ্জয় সেৱাৰ গাড়ীৰ খুন্দাত যুৱতীগৰাকীয়ে মৃত্যুক সাৱতি ল'বলগীয়া হয়। যুৱতীগৰাকীক বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাৰ লুনা ভৰদ্বাজ বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। দুৰ্ঘটনাটোত দেৰগাঁৱৰ অচ্যুত বৰুৱা নামৰ আন এজন যুৱকো গুৰুতৰভাৱে আহত হয়।

০০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কোকৰাঝাৰৰ কাৰিগাঁৱৰ শেহতীয়া সংঘৰ্ষত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহায্য প্ৰদান কৰে। সংঘৰ্ষত নিহত হোৱা দুজন লোকৰ পৰিয়াললৈ ৫ লাখ টকাকৈ, আহত ৩ জনৰ পৰিয়ালক এক লাখ টকাকৈ আৰু ক্ষতিগ্ৰস্ত ৪৩টা পৰিয়াললৈ ৫০ হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হয়। মন্ত্ৰীগৰাকীয়ে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ সৈতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সাক্ষাৎ কৰি এই এককালিন সাহায্যৰ চেক প্ৰদান কৰে।

০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাত আজি বিনিময় প্ৰথাৰে হাট মুকলি কৰা হয়। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে মুকলি কৰা বিনিময় প্ৰথাৰ হাটত পাহাৰৰ মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰে। ইয়াৰ পাছতে জোনবিলৰ পাৰত পৰম্পৰাগত কুকুৰা যুঁজ আৰু সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হয়। গোভা ৰজা দীপসিং দেওৰজাই সমূহীয়া মাছ ধৰা পৰ্ব মুকলি কৰে। আজি তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীৰ অনুপস্থিতিত মন্ত্ৰী পীযূষ হাজৰিকাই তিৱা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰে।

**বাইট (পীযূষ হাজৰিকা)**

০০০০০

সমগ্ৰ ৰাজ্যতে আজি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা উৎসাহ-উদ্দীপনা আৰু পৰম্পৰাগত ৰীতি-নীতিৰে উদযাপন কৰা হয়। ৰাজ্যখনৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ লগতে অন্যান্য শিক্ষা প্ৰতিষ্ঠানত আজি পুৱাৰে পৰা বাগদেৱীৰ পূজা অৰ্চনা কৰা হয়। ধৰ্মীয় ৰীতি-নীতিৰে মা সৰস্বতীক আকৰ্ষণীয়কৈ সজাই বেদীত প্ৰতিষ্ঠা কৰি জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱীৰ শ্ৰীচৰণত ছাত্ৰ-ছাত্ৰীসকলে আশিস লয়।

গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠান তথা বিভিন্ন আবাসিক অঞ্চলত সৰস্বতী পূজাৰ আয়োজন কৰা হয়। অসম জাতীয় বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, কটন বিশ্ববিদ্যালয়কে ধৰি সকলো শিক্ষানুষ্ঠানত আজি ছাত্ৰ-ছাত্ৰীৰ লগতে আন ভক্তিপ্ৰাণ ৰাইজৰো সমাগম পৰিলক্ষিত হয়। আকাশবাণী গুৱাহাটীৰ আৱাসিক চৌহদতো পৰম্পৰাগত ৰীতি-নীতিৰে সৰস্বতী পূজা উদযাপন কৰা হয়।

গুৱাহাটী মহানগৰীৰ উপৰি ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, তেজপুৰ, দৰং, নলবাৰী, বৰপেটা, বঙাইগাঁও, গোৱালপাৰা, তামুলপুৰ, দক্ষিণ শালমাৰা মানকাচৰ, ধুবুৰী, শিলচৰ, শ্ৰীভূমিকে ধৰি সকলো জিলাতে আজি বাগদেৱীৰ পূজা যথাবিহিত কাৰ্যসূচীৰে পালন কৰে বুলি আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাসকলে জনাইছে।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আজি নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ২০৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে টছত জিকি প্ৰথমে নিউজিলেণ্ডক বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনায়। নিউজিলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২০৮ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ সৰ্বাধিক মিচ্ছেল ছেণ্টনাৰে ২৭টা বলত সৰ্বাধিক ৪৭ ৰান আৰু ৰাচিন ৰবীন্দ্ৰই ৪৪ ৰান সংগ্ৰহ কৰে। এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৩ অভাৰত ২টা উইকেট হেৰুৱাই ৩২ ৰান কৰি খেলি আছে।

০০০০০

সমাপ্ত